NSD NEWS BULLETIN
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 29-06-2024
**Time :** 19.10 hrs

*Assamese Evening Bulletin*

## HEADLINES

১। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কাইলৈ দিনৰ ১১ বজাত আকাশবাণীৰ মন কী বাত অনুষ্ঠানৰ যোগেদি দেশ-বিদেশৰ জনসাধাৰণৰ সৈতে মত বিনিময় কৰিব।

২। বাৰ্ষিক অমৰনাথ যাত্ৰা আজি আনুষ্ঠানিক ভাবে আৰম্ভ হৈছে।

৩। কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে কৈছে যে, দেশে দুৰ্যোগ ব্যৱস্থাপনাৰ ক্ষেত্ৰত শ্ৰেষ্ঠ কাৰ্য প্ৰণালী আঁকোৱালি লৈছে।

৪। দিল্লীৰ এখন আদালতে আবকাৰী নীতি সম্পৰ্কীয় এটা দুৰ্নীতিৰ গোচৰত মুখ্যমন্ত্ৰী অৰবিন্দ কেজৰিৱালক ১২ জুলাইলৈ ন্যায়িক জিম্মালৈ প্ৰেৰণ কৰিছে।

*আৰু*

৪। ভাৰত আজি বাৰবাডোছত হ'বলগীয়া আই চি চি টি-২০ বিশ্বকাপ ক্ৰিকেট প্ৰতিযোগিতাৰ ফাইনেলত দক্ষিণ আফ্ৰিকাৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব।

oooooooo

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কাইলৈ দিনৰ ১১ বজাত আকাশবাণীৰ মন কী বাত অনুষ্ঠানৰ যোগেদি দেশ-বিদেশৰ জনসাধাৰণৰ সৈতে মত বিনিময় কৰিব। এয়া হ'ব অনুষ্ঠানটোৰ ১১১ সংখ্যক খণ্ড। আনহাতে শ্ৰীমোদীয়ে একেৰাহে তৃতীয়বাৰৰ বাবে প্ৰধানমন্ত্ৰী হিচাপে কাৰ্যভাৰ গ্ৰহণ কৰাৰ পাছত এয়া হ'ব মন কী বাতৰ প্ৰথমটো খণ্ড।

আকাশবাণী - দূৰদৰ্শনৰ সমগ্ৰ নেটৱৰ্কৰ লগতে আকাশবাণীৰ ৱেৰছাইট আৰু নিউজ অন এয়াৰ মোবাইল এপযোগে এই অনুষ্ঠান প্ৰচাৰ কৰা হ'ব। আকাশবাণী, দূৰদৰ্শন নিউজৰ উপৰি প্ৰধানমন্ত্ৰী কাৰ্যালয় আৰু তথ্য-সম্প্ৰচাৰ মন্ত্ৰালয়ৰ ইউটিউব চেনেলযোগেও এই অনুষ্ঠান প্ৰচাৰ কৰা হ'ব। আকাশবাণীয়ে অনুষ্ঠানটোৰ ঠিক পাছতে ইয়াৰ আঞ্চলিক ভাষান্তৰ প্ৰচাৰ কৰিব।

oooooooo

কাশ্মীৰ উপত্যকাৰ হিমালয়ৰ ওপৰভাগত অৱস্থিত পবিত্ৰ অমৰনাথ গুহা দৰ্শনৰ অৰ্থে বাৰ্ষিক তীৰ্থ যাত্ৰা আজি আনুষ্ঠানিকভাৱে আৰম্ভ কৰে। ১৯ আগষ্টত শ্ৰাৱন্ত পূৰ্ণিমাৰ দিনা ৫২ দিনীয়া এই যাত্ৰাৰ সামৰণি পৰিব।

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী আৰু কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে পবিত্ৰ অমৰনাথ যাত্ৰা আৰম্ভৰ এই ক্ষণত তীৰ্থযাত্ৰীসকললৈ শুভেচ্ছা জ্ঞাপন কৰিছে। প্ৰধানমন্ত্ৰী মোদীয়ে সামাজিক মাধ্যমযোগে কৈছে যে, বাবা বৰ্ফানিৰ দৰ্শন আৰু পূজা-অৰ্চনাৰ সৈতে জড়িত এই যাত্ৰাই ভগৱান শিৱৰ ভক্তসকলৰ মাজত অসীম শক্তিৰ সঞ্চাৰ কৰে। তেওঁ লগতে এই বুলি কামনা কৰে যে, বাবা বৰ্ফানিয়ে যেন সকলো ভক্তৰে জীৱন সমৃদ্ধ কৰি তোলে।

ভক্তসকললৈ শুভেচ্ছা জ্ঞাপন কৰি গৃহমন্ত্ৰী অমিত শ্বাহে কয় যে, পৱিত্ৰ অমৰনাথ যাত্ৰা ভাৰতীয় পৰম্পৰা আৰু সংস্কৃতিৰ অবিৰত ধাৰাৰ শ্বাসত প্ৰতীক। তেওঁ কয় যে, প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী নেতৃত্বাধীন চৰকাৰ ভক্তসকলৰ বাবে নিৰাপদ, সুগম আৰু আনন্দময় যাত্ৰা সুনিশ্চিত কৰিবলৈ বদ্ধপৰিকৰ। চৰকাৰে ভক্তসকল যাতে কোনো ধৰণৰ অসুবিধাৰ সন্মুখীন হ'বলগীয়া নহয় তাৰ বাবে সম্ভৱপৰ সকলো ব্যৱস্থা গ্ৰহণ কৰিছে বুলি গৃহমন্ত্ৰীগৰাকীয়ে প্ৰকাশ কৰে।

oooooooo

কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে কৈছে যে, দেশে দুৰ্যোগ ব্যৱস্থাপনাৰ ক্ষেত্ৰত শ্ৰেষ্ঠ কাৰ্য প্ৰণালী আঁকোৱালি লৈছে। তেওঁ লগতে ৰাষ্ট্ৰীয় দুৰ্যোগ সহাৰি বাহিনী এন ডি আৰ এফে সদায় বিপৰ্যয়ৰ সময়ত কোনো লোক যাতে হতাহত নহয় সেই উদ্দেশ্যে কাম কৰা উচিত। বিজয় নামৰ পৰ্বতাৰোহন অভিযান মুকলি কৰি শ্ৰী শ্বাহে আজি এইদৰে প্ৰকাশ কৰে। গৃহমন্ত্ৰীগৰাকীয়ে কয় যে, অকল ভাৰততে নহয় বৰং বিশ্বৰ যিকোনো ঠাইত বিপৰ্যয় দেখা দিলে দেশ আৰু বিশ্বৰ জনসাধাৰণে এন ডি আৰ এফৰ প্ৰতি আশাৰে চায়। তেওঁ কয় যে, পৰিস্থিতি যিমানেই প্ৰতিকূল নহওঁক কিয় এন ডি আৰ এফৰ এগৰাকী জোৱান কাষত থাকিলে বিপৰ্যয়ত আবদ্ধ লোকসকলৰ সাহস কেইবাগুণো বৃদ্ধি পায়। চৰকাৰে এন ডি আৰ এফৰ জোৱানসকললৈ বিপদাশংকা আৰু দুৰ্গম অঞ্চল ভাট্টা আগবঢ়োৱাত অনুমোদন জনোৱা বুলি শ্ৰী শ্বাহে ঘোষণা কৰে। পৰ্বতাৰোহন অভিযানৰ সাফল্যৰ বাবে অভিযানত ভাগ লোৱা দলটোৰ লগতে এন ডি আৰ এফক অভিনন্দন জনাই শ্ৰী শ্বাহে কয় যে, এনেধৰণৰ কঠিন অভিযানে ব্যক্তি আৰু বাহিনী উভয়ৰে দক্ষতা বৃদ্ধিত সহায় কৰে। মন্ত্ৰীগৰাকীয়ে এনে ধৰণৰ অভিযানে আমাক সফলতাৰ শীৰ্ষত উপনীত হ'ব বিচাৰিলে  যে জীৱনজুৰি লক্ষ্য পূৰণৰ হকে প্ৰচেষ্টা চলোৱা উচিত তাৰ শিকনি দিয়ে। কেন্দ্ৰীয় গৃহসচিব অজয় কুমাৰ ভাল্লা আৰু এন ডি আৰ এফৰ সঞ্চালক প্ৰধান পীয়ুষ আনন্দ অনুষ্ঠানত উপস্থিত থাকে। বিজয় পৰ্বতাৰোহন অভিযানৰ অধীনত এন ডি আৰ এফৰ জোৱান সকলে ২১ হাজাৰ ৬২৫ ফুট উচ্চতাত অৱস্থিত হিমাচল প্ৰদেশৰ মাউণ্ট মনিৰং শৃংগত আৰোহন কৰে।

oooooooo

কেন্দ্ৰীয় তদন্তকাৰী সংস্থা চি বি আয়ে চিকিৎসা বিজ্ঞানৰ স্নাতক পাঠ্যক্ৰমত নামভৰ্তিৰ নীট-ইউ জি পৰীক্ষাত হোৱা অনিয়ম সন্দৰ্ভত আহমেদাবাদ আৰু গোধ্ৰা জিলাকে ধৰি গুজৰাটৰ ভিন ভিন সাতটা ঠাইত তালাচী চলাই আছে। চি বি আয়ে বৃহস্পতিবাৰে এই গোচৰ সংক্ৰান্তত বিহাৰৰ পাটনাৰ পৰা দুজন লোকক গ্ৰেপ্তাৰ কৰিছিল।

oooooooo

দিল্লীৰ এখন আদালতে আবকাৰী নীতি সম্পৰ্কীয় এটা দুৰ্নীতিৰ গোচৰত মুখ্যমন্ত্ৰী অৰবিন্দ কেজৰিৱালক ১২ জুলাইলৈ  ন্যায়িক জিম্মালৈ প্ৰেৰণ কৰিছে। তিনি দিনীয়া চি বি আইৰ জিম্মাৰ ম্যাদ অন্ত পৰাৰ পাছত আজি ন্যায়ালয়ে এইদৰে ৰায় দিয়ে। দিল্লীৰ ৰাউজ এভিনিউ আদালতে জেৰা কৰাৰ বাবে আম আদমী পাৰ্টীৰ নেতাগৰাকীক জিম্মাত লোৱাৰ বাবে অনুৰোধ জনাই চি বি আইয়ে  দাখিল কৰা আবেদনৰ শুনানি গ্ৰহণ কৰি ২৬ জুনত শ্ৰী কেজৰিৱালক তিনি দিনৰ তদন্তকাৰী সংস্থাটোৰ জিম্মালৈ প্ৰেৰণ কৰিছ। ইয়াৰ এদিন পূৰ্বে চি বি আয়ে আৰকাশকালীন ন্যায়াধিশ অমিতাভ ৰাৱাটৰ সন্মুখত হাজিৰ কৰোৱাৰ সময়ত মুখ্যমন্ত্ৰী কেজৰিৱালক আনুষ্ঠানিকভাৱে গ্ৰেপ্তাৰ কৰিছিল।

oooooooo

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কাইলৈ বিয়লি ভিডিঅ' কনফাৰেন্সিঙৰ জৰিয়তে প্ৰাক্তন উপ-ৰাষ্ট্ৰপতি এম ভেংকায়া নাইডুৰ জীৱন আৰু কৰ্মক সামৰি ৰচনা কৰা তিনিখন গ্ৰন্থ উন্মোচন কৰিব। শ্ৰীনাইডুৰ ৭৫ বছৰীয়া জন্মদিনৰ লগত সংগতি ৰাখি গ্ৰন্থ তিনিখন উন্মোচন কৰিবলৈ লোৱা হৈছে। হায়দৰাবাদৰ গাছিবউলিৰ অন্বয়া প্ৰেক্ষাগৃহত প্ৰাক্তন উপ-ৰাষ্ট্ৰপতিগৰাকীৰ জন্ম দিন উপলক্ষে বিশেষ অনুষ্ঠানৰ আয়োজন কৰা হৈছে। প্ৰধানমন্ত্ৰীয়ে উন্মোচন কৰিবলগীয়া গ্ৰন্থকেইখন হৈছে— আগশাৰীৰ কাকত দি হিন্দুৰ হায়দৰাবাদ সংস্কৰণৰ প্ৰাক্তন আৱাসিক সম্পাদক এছ নাগেশ কুমাৰৰ **“VENKAIAH NAIDU - LIFE IN SERVICE”,** উপ-ৰাষ্ট্ৰপতিৰ প্ৰাক্তন সচিব ড০ আই ভি চুববা ৰাওৰ **CELEBRATING BHARAT - THE MISSION AND MESSAGE OF SHRI M VENKAIAH NAIDU AS 13TH VICE-PRESIDENT OF INDIA** আৰু সঞ্জয় কিশোৰৰ **“MAHANETA - LIFE AND JOURNEY OF SHRI M. VENKAIAH NAIDU”**।

০০০০০০০০

পশ্চিমবংগৰ ৰাজ্যপাল ড০ চি ভি আনন্দ বসুৱে ৰাজ্যখনৰ মুখ্যমন্ত্ৰী মমতা বেনাৰ্জীৰ বিৰুদ্ধে মানহানিৰ গোচৰ ৰুজু কৰাৰ কথা বিবেচনা কৰিছে। এই সপ্তাহত মুখ্যমন্ত্ৰী মমতা বেনাৰ্জীয়ে ৰাজ্যিক সচিবালয় **নবান্ন**ৰ এখন সংবাদমেলত মহিলাসকলে কলকাতাৰ ৰাজভৱনলৈ যাবলৈ ভয় কৰে বুলি মন্তব্য কৰিছে। আমাৰ কলকাতা সংবাদদাতাই ৰাজভৱনৰ উদ্ধৃতিৰে জনাইছে যে, বৰ্তমানলৈকে কোনো মানহানিৰ গোচৰ ৰুজু কৰা হোৱা নাই। ৰাজ্যপাল বসু সম্প্ৰতি দিল্লীত আছে আৰু তেওঁ কলকাতালৈ ঘূৰি অহাৰ পাছতে এই সন্দৰ্ভত সিদ্ধান্ত গ্ৰহণ কৰা হ'ব। একাংশ সংবাদ মাধ্যমে ৰাজ্যপাল চি ভি আনন্দ বসুৱে মুখ্যমন্ত্ৰী মমতা বেনাৰ্জীৰ বিৰুদ্ধে কলকাতা উচ্চ ন্যায়ালয়ত গোচৰ ৰুজু কৰা বুলি বাতৰি প্ৰকাশ কৰিছে।

০০০০০০০০

জনতা দল ইউনাইটেডে আজি ৰাজ্যসভাৰ সাংসদ তথা দলৰ নেতা সঞ্জয় ঝাক দলৰ ৰাষ্ট্ৰীয় কাৰ্যকৰী সভাপতি হিচাপে নিযুক্তি দিয়ে। জে ডি ইউৰ সাংসদ, মন্ত্ৰীসকল, কাৰ্যবাহী সদস্য, সাধাৰণ সম্পাদক, সম্পাদক, ৰাজ্যিক সভাপতিসকলে অংশগ্ৰহণ কৰা দলটোৰ ৰাষ্ট্ৰীয় কাৰ্যনিৰ্বাহক সভাত শ্ৰী ঝাক নিযুক্তি প্ৰদান কৰা হয়।

নিযুক্তিৰ পিছত সংবাদ মাধ্যমৰ সৈতে হোৱা কথা বতৰাত শ্ৰী ঝাই কয় যে, বিহাৰৰ ২০২৫ চনৰ বিধানসভা নিৰ্বাচনৰ কথা ধ্যানত ৰাখি আগন্তুক সময়ত দলটোৱে সম্প্ৰসাৰণৰ চেষ্টা কৰিব। দলটোৱে পুনৰবাৰ চৰকাৰ গঠন কৰিব বুলি তেওঁ দৃঢ়তাৰে কয় আৰু লগতে যে শেহতীয়াকৈ অনুষ্ঠিত হোৱা লোকসভা নিৰ্বাচনত এন ডি এৰ আকৰ্ষণীয় প্ৰদৰ্শনে জনসাধাৰণৰ সঁহাৰিৰ প্ৰমাণ দিয়ে। শ্ৰী ঝাই লগতে এই বছৰ ঝাৰখণ্ডত জেডি ইউ বিধানসভাৰ নিৰ্বাচনতো প্ৰতিদ্বন্দ্বিতা আগবঢ়াব বুলি ঘোষণা কৰে।

০০০০০০০০

ভাৰত আজি বাৰবাডোছত হ'বলগীয়া আই চি চি টি-২০ বিশ্বকাপ ক্ৰিকেট প্ৰতিযোগিতাৰ ফাইনেলত দক্ষিণ আফ্ৰিকাৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। খেলখন ভাৰতীয় সময় অনুসৰি নিশা ৮ বজাত অৰম্ভ হ'ব।

ৰোহিত শৰ্মা নেতৃত্বাধীন ভাৰতীয় দলটোৱে ছেমি ফাইনেলত যোৱাবাৰৰ চেম্পিয়ন ইংলেণ্ডক ৬৮ ৰানত পৰাস্ত কৰি ফাইনেলত স্থান নিশ্চিত কৰিছে। আনহাতে দক্ষিণ আফ্ৰিকাই ছেমি ফাইনেলত আফগানিস্তানক পৰাভূত কৰি ফাইনেলত প্ৰৱেশ কৰিছে। ভাৰত আৰু দক্ষিণ আফ্ৰিকা দুয়োটা দল এইবাৰৰ প্ৰতিযোগিতাত বৰ্তমানলৈকে

এখনো খেলত পৰাজিত হোৱা নাই। ভাৰতীয় ক্ৰিকেট দলৰ মুখ্য প্ৰশিক্ষক হিচাপে ৰাহুল দ্ৰাবিড়ৰ এইখন অন্তিমখন খেল হ'ব।

00000000

দক্ষিণ আফ্ৰিকাৰ মহিলা ক্ৰিকেট দলে ভাৰতৰ বিৰুদ্ধে চেন্নাইৰ এম এ চিদাম্বৰম ষ্টেডিয়ামত অনুষ্ঠিত একমাত্ৰ টেষ্টৰ আজি দ্বিতীয় দিনৰ খেলৰ সামৰণিৰ পৰলৈকে প্ৰথম ইনিংছত ৪টা উইকেটৰ বিনিময়ত ২৩৬ ৰান সংগ্ৰহ কৰে। ইয়াৰ পূৰ্বে ভাৰতে ৬টা উইকেটৰ বিনিময়ত ৬০৩ ৰানৰ প্ৰথম ইনিংছ সমাপ্তিৰ ঘোষণা কৰে।

00000000

সমাপ্ত